
# ঘূৰ্ণীবতাহৰ পাছত

## ব্যক্তি/পৰিয়ালৰ
বাবে কাৰ্যসমূহ

- ঘৰলৈ উভতি যোৱাটো **নিৰাপদ বুলি নজনোৱালৈকে আশ্ৰয় শিবিৰৰ ভিতৰতে থাকক**
- সঁজুলিবোৰ আনপ্লাগ কৰিবলৈ নিৰ্দেশনা পোৱাৰ লগে লগে **ঘৰৰ মেইন ছুইচ বন্ধ কৰক - তিতা হাতেৰে বৈদ্যুতিক সঁজুলি স্পৰ্শ নকৰিব**
- **ভঙা বৈদ্যুতিক খুঁটা আৰু তাঁৰ, চোকা বস্তু আৰু ধ্বংসাৱশেষৰ প্ৰতি বিশেষকৈ চকু ৰাখক**
- **ঘৰৰ ক্ষতিগ্ৰস্ত আৰু ভগা অংশবোৰ** পৰীক্ষা কৰি মেৰামতি কৰক
- ঘূৰ্ণীবতাহৰ ফলত হোৱা **ক্ষতিৰ বিষয়ে সংশ্লিষ্ট কৰ্তৃপক্ষক জনাওক**
- উপলব্ধ হ'লে আঁচনিৰ জৰিয়তে **ক্ষতিপূৰণ লাভ কৰিবলৈ পৰামৰ্শদাতাৰ** পৰা তাৎক্ষণিক সহায় লওক



- **প্ৰাথমিক চিকিৎসা প্ৰদান** কৰক আৰু গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হ'লে চিকিৎসকৰ পৰা সহায় লওক
- তাৎক্ষণিকভাৱে অধিক আঘাতৰ বিপদাশংকা নাথাকিলে **গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত লোকক স্থানান্তৰ নকৰিব**
- **দূষিত পানীৰ সংস্পৰ্শলৈ অহা বা ভেঁকুৰ লগা** খাদ্য সামগ্ৰী গ্ৰহণ নকৰিব
- আপোনাৰ চৌপাশ পৰিষ্কাৰ কৰক আৰু পৰামৰ্শ অনুসৰি **আৱৰ্জনা আৰু ধ্বংসাৱশেষৰ নিষ্কাষণ কৰক**
- **মল-মূত্ৰ প্ৰৱাহৰ বাবে ব্যৱহৃত পাইপ নষ্ট হ'লে শৌচাগাৰ ব্যৱহাৰ নকৰিব**




## সম্প্ৰদায়ৰ
বাবে কাৰ্যসমূহ

পুনৰ সংস্থাপনৰ সেৱা পৰিকল্পনা কৰিবলৈ অঞ্চলটোত সংঘটিত হোৱা **ক্ষতিৰ মূল্যায়ন কৰক**


**চিকিৎসালয়, বিদ্যালয় আৰু পৰিবহণৰ** দৰে মৌলিক সেৱাসমূহ পুনৰ আৰম্ভ কৰাত সহায় কৰক

**চৌপাশৰ অঞ্চল চেনিটাইজ কৰি পেলনীয়া সামগ্ৰীৰ সঠিক নিষ্কাষণ কৰিব** লাগে যাতে মাখিৰ বংশবৃদ্ধিৰ পৰা হাত সাৰিব পাৰি আৰু মহক আঁতৰত ৰাখিব পাৰি


### আয়োজন কৰক

- আহত লোকৰ চিকিৎসা আৰু তেওঁলোকক অত্যাৱশ্যকীয় টিকা প্ৰদানৰ বাবে **স্বাস্থ্য শিবিৰৰ** আয়োজন কৰক
- **গাঁথনিগত ক্ষতিৰ সমাধান কৰক** (যেনে- পথ, পাইপৰ মেৰামতি, ক্ষতিগ্ৰস্ত বৈদ্যুতিক খুঁটা আৰু বৈদ্যুতিক সৰঞ্জাম আদি)।
- দুৰ্যোগ সম্পৰ্কীয় আঁচনি আৰু কাৰ্যসূচীসমূহৰ লাভ আদায় কৰাত সম্প্ৰদায়ক সহায় কৰিবলৈ সেইবোৰৰ **তথ্য প্ৰচাৰ কৰক**
- **অঞ্চলটোত থকা আৱৰ্জনা পৰিষ্কাৰ কৰক** আৰু জীৱ-জন্তুৰ মৃতদেহ সুৰক্ষিতভাৱে নিষ্কাশন কৰক






পৰিস্থিতিৰ বিষয়ে **নিজকে আপডেট কৰি** ৰাখক আৰু সেই অনুসৰি কাম কৰক যাতে **চৰকাৰী বিষয়াৰ পৰা সুৰক্ষা আৰু খালী কৰাৰ বিষয়ে তথ্য লাভ কৰিব পাৰে**



ঘূৰ্ণীবতাহ/বানপানীৰ সকীয়নিৰ বিষয়ে চৰকাৰী সংবাদ সংস্থাৰ দৰে সঠিক উৎসৰ পৰা পোৱা **তথ্যৰ আধাৰত কাৰ্যব্যৱস্থা গ্ৰহণ কৰক**




**সকলো অসত্যাপিত উৎস আৰু ছ'চিয়েল মিডিয়াৰ বাৰ্তাক** আওকাণ কৰক যিয়ে আতংকমূলক পৰিস্থিতিৰ সৃষ্টি কৰিব পাৰে




**তথ্যৰ**
সঠিক উৎসসমূহ
**অনুসৰণ কৰক**

# ঘূৰ্ণীবতাহ

সাজু থাকক • সাৱধানতা গ্ৰহণ কৰক • সুৰক্ষিত থাকক




এনে এক বতৰ ব্যৱস্থা, য'ত কম চাপৰ অঞ্চল থাকে আৰু য'ত ঘণ্টাত 61 কিলোমিটাৰতকৈ অধিক বেগত বতাহ বলে, তাকে 'ঘূৰ্ণীবতাহ' বা ক্ৰান্তীয় ধুমুহা বুলি কোৱা হয়। এইবোৰ হৈছে নন-ফ্ৰন্টেল চিন'প্টিক স্কেল বতৰ ব্যৱস্থা, যি সংগঠিত নিয়ম আৰু নিৰ্দিষ্ট ঘূৰ্ণীবতাহৰ পৃষ্ঠৰ বায়ু সঞ্চালনৰ জৰিয়তে ক্ৰান্তীয় জলস্তৰৰ ওপৰত উৎপত্তি হয়। বতাহ উত্তৰ গোলাৰ্ধত ঘড়ীৰ কাঁটাৰ বিপৰীত দিশত আৰু দক্ষিণ গোলাৰ্ধত ঘড়ীৰ কাঁটাৰ দিশত নিম্ন চাপৰ কেন্দ্ৰৰ চাৰিওফালে সঞ্চালিত হয়।

ঘূৰ্ণীবতাহৰ ফলত মৃত্যু হ'ব পাৰে (বিদ্যুৎস্পৃষ্ট হৈ, ভাঙি পৰা ঘৰ বা বস্তু আৰু বতাহত উৰি ফুৰা ধ্বংসাৱশেষে কৰা আঘাতৰ বাবে), কৃষি পথাৰ আৰু শস্য আৰু লগতে সম্পত্তি আৰু আন্তঃগাঁথনিৰ গুৰুতৰ ক্ষতি হ'ব পাৰে। এইবোৰে সম্প্ৰদায় নিঃশেষ কৰে, ঘৰ-দুৱাৰ, জীৱিকা ধ্বংস কৰে, আৰু পৰিবহণ ব্যৱস্থাত ব্যাঘাত জন্মায় আৰু ইয়াৰ ফলত সুদূৰপ্ৰসাৰী আৰ্থ-সামাজিক প্ৰভাৱ পৰে।




**আপোনাৰ NiDRR মিত্ৰসকল:**
অভয় আৰু অনিকাই আপোনালোকক ঘূৰ্ণীবতাহৰ দৰে পৰিস্থিতিত নিজকে কেনেকৈ প্ৰস্তুত আৰু সুৰক্ষিত কৰিব পাৰি সেই বিষয়ে কিছুমান গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াব।




**হেল্পলাইন ১০৭৭/১১২**


Resilient India - Disaster free India
Assam State Disaster Management Authority
unicef for every child
National Disaster Risk Reduction Communication Toolkit


**যেতিয়া আপুতি নিৰাপদ হয়, আপুনি উদ্ধাৰ অভিযানত স্বেচ্ছাসেৱক হিচাপে কাম কৰিব পাৰে**

# পৰিকল্পনা আৰু প্ৰস্তুতি



## ব্যক্তি/পৰিয়ালৰ
বাবে কাৰ্যসমূহ

### জৰুৰীকালীন সামগ্ৰী সংগ্ৰহ কৰক

- আপোনাৰ ওচৰত এটা কাম কৰি থকা ফোন আছে নে নাই চাওক
- অতিৰিক্ত বেটাৰী বা বেকআপ চাৰ্জাৰ ৰাখক
- নষ্ট নোহোৱা, শুকান খাদ্য সামগ্ৰী জমা কৰি ৰাখক
- ৩ দিনৰ বাবে অতি কমেও ৪ লিটাৰ খোৱাপানী পৰিষ্কাৰ পাত্ৰত জমা কৰি ৰাখক
- শৌচ পেচাবৰ সময়ত ব্যৱহাৰ কৰিবলৈ পানী জমা কৰি ৰাখক

**জৰুৰীকালীন সামগ্ৰীৰ সৈতে আপোনাৰ 'Go-bag' সাজু কৰি ৰাখক**




- জৰুৰীকালীন সম্পৰ্কৰ তথ্য
- গুৰুত্বপূৰ্ণ তথ্য আৰু নথিপত্ৰৰ মূল আৰু প্ৰতিলিপি প্লাষ্টিকৰ পানী সোমাব নোৱাৰা বেগত আৰু/বা ডিজিলকাৰত ৰখাটো নিশ্চিত কৰক
- প্ৰাথমিক চিকিৎসাৰ কিট
- চাবোন
- মাস্ক
- ছেনিটেৰী পেড
- অতিৰিক্ত বেটাৰীৰ সৈতে টৰ্চ
- প্লাষ্টিকৰ বেগ আৰু বান্ধিবলৈ ৰছী
- পানী বিশুদ্ধকৰণৰ টেবলেট
- চিকিৎসকে দিয়া ঔষধ
- প্লাষ্টিকৰ শ্বীট আৰু বস্তু পেক কৰিবলৈ ব্যৱহাৰ কৰা টেপ
- বিভিন্ন কামত ব্যৱহৃত চুৰি কটাৰীৰ চেট
- জুইশলা আৰু সুহুৰি
- শুকান কাপোৰ আৰু টাৱেলৰ চেট

### আপুনি জানিবলগীয়া কথাবোৰ

প্ৰচণ্ড বৰষুণ, ধুমুহা, জোৱাৰ সম্পৰ্কীয় সকীয়নি, বা বানপানীৰ ক্ষেত্ৰত, ওচৰৰ নিৰাপদ ওখ ঠাই/নিৰাপদ আশ্ৰয়সমূহ আৰু তালৈ যাব পৰা সুৰক্ষিত পথৰ বিষয়ে জানি লওক



### আগতীয়া সকীয়নিত:



- ✓ আপোনাৰ ঘৰটো বিশেষকৈ ঘৰৰ চালখন সুৰক্ষিত কৰক, মেৰামতি কৰক, জোঙা বা চোকা বস্তুবোৰ উৰি যাব পৰাকৈ নাৰাখিব
- ✓ আপোনাৰ পৰিয়ালৰ সদস্যসকলক চিকিৎসা সাহাৰ্য প্ৰদানৰ বাবে পৰিকল্পনা কৰক
- ✓ কাঠৰ ব'ৰ্ড বা ডাঠ কাগজ ব্যৱহাৰ কৰি খিৰিকীবোৰ বন্ধ কৰক
- ✓ স্থানীয় কৰ্তৃপক্ষৰ পৰা অনুমতি লৈ আপোনাৰ ঘৰৰ ওচৰত থকা গছৰ আগ বা ডালবোৰ কাটি পেলাওক

### খালী কৰাৰ সময়ত

- ✓ গৰ্ভৱতী মহিলা, শিশু, বয়োজ্যেষ্ঠ, ৰোগী আৰু পৰিয়ালৰ দিব্যাংগ সদস্যসকলক নিৰাপদ স্থানলৈ স্থানান্তৰ কৰাৰ পৰিকল্পনা কৰক
- ✓ ঘৰৰ মেইন ছুইচটো বন্ধ কৰক আৰু গেছ ভাল্ভ/চিলিণ্ডাৰৰ ভাল্ভবোৰো বন্ধ কৰক





- ✓ সকলো ঘৰচীয়া জীৱ-জন্তুৰ বান্ধ খুলি দিয়ক
- ✓ ঘৰৰ বাহিৰত থোৱা বস্তু (লনৰ আচবাব, আৱৰ্জনাৰ বাকচ, চাইকেল) চৌহদৰ ভিতৰলৈ আনি সুৰক্ষিতভাৱে বান্ধি ৰাখক

### সতৰ্কতাৰ বিভিন্ন স্তৰ আৰু সেই অনুসৰি কৰিবলগীয়া কাৰ্যসমূহ

| নীলা সতৰ্কবাণী: 24-48 ঘণ্টাৰ ভিতৰত ঘূৰ্ণীবতাহ হ'ব পাৰে (সতৰ্কবাণী + সকীয়নি পৰ্যায়) | হালধীয়া সতৰ্কবাণী: 12 ঘণ্টা বা তাতকৈ অলপ বেছি সময়ৰ ভিতৰত ঘূৰ্ণীবতাহৰ সম্ভাৱনা (ব্যৱস্থা গ্ৰহণ কৰক) | ৰঙা সতৰ্কবাণী: 3-12 ঘণ্টাৰ ভিতৰত ঘূৰ্ণীবতাহ হ'ব পাৰে (সুৰক্ষিত স্থানত থাকক বা তেনে স্থানলৈ যাওক) |
|---|---|---|

## সম্প্ৰদায়ৰ
বাবে কাৰ্যসমূহ

- সম্প্ৰদায়ৰ জৰুৰীকালীন পৰিস্থিতিত কৰিবলগীয়া কাৰ্য আৰু খালী কৰাৰ পৰিকল্পনা প্ৰস্তুত কৰক
- বানপানীৰ দৰে জৰুৰীকালীন পৰিস্থিতিৰ বাবে সামূহিক আশ্ৰয় শিবিৰ প্ৰস্তুত কৰক
- যোগাযোগৰ মাধ্যম চিনাক্ত কৰক আৰু সেই মাধ্যমসমূহৰ বিষয়ে সম্প্ৰদায়ক জনাওক



- সম্প্ৰদায়ৰ জৰুৰীকালীন পৰিস্থিতিত কৰিবলগীয়া কাৰ্য আৰু খালী কৰাৰ পৰিকল্পনাৰ বিষয়ে তথ্য সম্প্ৰদায়ৰ সকলো পৰিয়ালৰ সৈতে ভাগ-বতৰা কৰক
- সম্প্ৰদায়ৰ আশ্ৰয় আৰু ইয়াৰ অৱস্থানৰ বিষয়ে তথ্য ভাগ-বতৰা কৰক
- আপোনাৰ অঞ্চলৰ বানপানীৰ প্ৰৱণতা থকা বিপদশংকুল সম্প্ৰদায়/ঘৰবোৰ চিনাক্ত কৰক
- সম্প্ৰদায়ৰ সদস্যসকল বানপানীৰ পৰা সুৰক্ষাৰ বিধিসমূহৰ বিষয়ে জ্ঞাত হোৱাটো নিশ্চিত কৰক



- সময়ে সময়ে সম্প্ৰদায়ত খালী কৰাৰ মক ড্ৰিল অনুষ্ঠিত কৰক
- প্ৰস্তুতি, সঁহাৰি আৰু পুনৰুদ্ধাৰ সম্পৰ্কীয় কাৰ্যৰ বাবে সম্প্ৰদায়ৰ স্বেচ্ছাসেৱকসকলক জড়িত কৰক আৰু প্ৰশিক্ষণ দিয়ক

# ঘূৰ্ণীবতাহৰ সময়ত


## ব্যক্তি/পৰিয়ালৰ
বাবে কাৰ্যসমূহ



- ✓ বাহিৰৰ পৰিৱেশ শান্ত যেন লাগিলেও বাহিৰলৈ ওলাই নাযাব



- ✓ খালী কৰাৰ বিষয়ে বা ঘূৰ্ণীবতাহৰ স্থিতিৰ বিষয়ে জাৰি কৰা আপডে'টসমূহ শুনক




- ✓ গুৰুত্বপূৰ্ণ নথিপত্ৰকে ধৰি আপোনাৰ সকলো মূল্যৱান সামগ্ৰী ওখ ঠাইলৈ লৈ যাওক
- ✓ যদি আপুনি অট্টালিকাৰ ভিতৰত থাকে তেন্তে তলৰ মহলাত থকাটো নিশ্চিত কৰক
- ✓ ক'লৈ আৰু কেতিয়া খালী কৰিব লাগে জানি লওক
- ✓ পৰিয়ালৰ সকলো সদস্যক একেলগে ৰাখক আৰু প্ৰয়োজন হ'লে স্থানান্তৰিত হ'বলৈ সাজু থাকক



- ✓ এটা খালী কোঠাৰ ভিতৰত থাকক; ইফাল-সিফাল হ'ব পৰা বস্তুবোৰ সুৰক্ষিতভাৱে স্থাপন কৰক
- ✓ কাঁচৰ খিৰিকীবোৰ ডাঠ কাগজ বা আন বস্তুৰে ঢাকি দিয়ক, ধুমুহাৰ শ্বাটাৰ সাজু কৰি ৰাখক
- ✓ খিৰিকী, দুৱাৰ আৰু স্কাইলাইটৰ পৰা আঁতৰি থাকক

## সম্প্ৰদায়ৰ
বাবে কাৰ্যসমূহ

- বিপদশংকুল অঞ্চলসমূহৰ ওপৰত চকু ৰাখক আৰু প্ৰয়োজন সাপেক্ষে খালী কৰাৰ ব্যৱস্থা কৰক
- প্ৰয়োজন অনুসৰি সহায় পাবলৈ আৰু ৰেচন যোগানৰ বাবে সাহাৰ্য প্ৰদান কৰা সংস্থাসমূহৰ সৈতে সমন্বয় স্থাপন কৰক
- আশ্ৰয় শিবিৰৰ সুৰক্ষা, নিৰাপত্তা নিশ্চিত কৰক আৰু কোনো ধৰণৰ সংক্ৰমণ হোৱাটো ৰোধ কৰিবলৈ পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখক
- কোনো ধৰণৰ উৰাবাতৰি ৰোধ কৰিবলৈ সত্যাপিত উৎসৰ পৰা বানপানী/ঘূৰ্ণীবতাহৰ পৰিস্থিতি সম্পৰ্কে সঠিক তথ্য সম্প্ৰদায়ে লাভ কৰাটো নিশ্চিত কৰক